# 2019

## PHILOSOPHY

( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions/Choose the correct option : 1×7=7

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া/শুদ্ধ বিকল্পটো বাচি উলিওৱা :

*(a)* Why is it so difficult to clearly express a definition of existentialism?

অস্তিত্ববাদৰ এটা স্পষ্ট সংজ্ঞা প্ৰকাশ কৰাটো কিয় অতি কঠিন ?

*(i)* Existential terms are outside of human comprehension

অস্তিত্ববাদীয় পদসমূহ হৈছে মানৱবোধৰ বহির্ভূত

*(ii)* Existentialism is considered as a trend or attitude, not a dogma or system
অস্তিত্ববাদক এক প্ৰৱণতা বা ধাৰা হিচাপেহে বিবেচনা কৰা হয়, কোনো এক প্ৰণালীবদ্ধ মত বা পদ্ধতি হিচাপে নহয়

*(iii)* Existentialism functions outside of the realm of human existence
অস্তিত্ববাদ মানৱ অস্তিত্বৰ জগতখনৰ বাহিৰতহে ক্ৰিয়াশীল

*(iv)* Existentialism emphasises abstract thinking
অস্তিত্ববাদে বিমূৰ্ত চিন্তাক গুৰুত্ব প্ৰদান কৰে

*(b)* Which of the following groups of philosophers consists of both theistic and atheistic existentialists?
তলত দিয়া দাৰ্শনিকৰ গোটসমূহৰ ভিতৰত কোনটো ঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী উভয় প্ৰকাৰৰ অস্তিত্ববাদীৰ দ্বাৰা গঠিত হৈছে?

*(i)* Kierkegaard, Heidegger, Hegel
কীৰ্কেগাৰ্ড, হাইডেগাৰ, হেগেল

*(ii)* Husserl, Heidegger, Sartre
হুছাৰ্ল, হাইডেগাৰ, ছাৰ্ত্ৰ





*(iii)* Heidegger, Sartre, Nietzsche
হাইডেগাৰ, ছাৰ্ত্ৰ, নিৎস্যে

*(iv)* Heidegger, Jaspers, Nietzsche
হাইডেগাৰ, জেচপাৰ্ছ, নিৎস্যে

*(c)* Which of the following statements is correct?
তলৰ কোনটো উক্তি শুদ্ধ?

*(i)* Hegel is an absolute idealist and Husserl supports transcendental idealism.
হেগেল হৈছে এগৰাকী পৰম ভাৱবাদী আৰু হুছাৰ্লে অতিন্দ্ৰীয় ভাৱবাদ সমৰ্থন কৰে।

*(ii)* Hegel is an absolute idealist but Husserl rejects transcendental idealism.
হেগেল হৈছে এগৰাকী পৰম ভাৱবাদী কিন্তু হুছাৰ্লে অতিন্দ্ৰীয় ভাৱবাদ অস্বীকাৰ কৰে।

*(iii)* Husserl accepts Hume's scepticism and Hume is an empiricist.
হুছাৰ্লে হিউমৰ সংশয়বাদ সমৰ্থন কৰিছে আৰু হিউম এগৰাকী অভিজ্ঞতাবাদী।

*(d)* Whether, for Kierkegaard, belief in God is a matter of individual passion or a matter of logic?
কীৰ্কেগাৰ্ডৰ কাৰণে ঈশ্বৰ-বিশ্বাস এক ব্যক্তিগত ভাবাৱেগৰ বিষয় নে যুক্তিৰ বিষয়?

*(e)* Which of the following pairs is not perfectly matched?

তলত দিয়া যোৰসমূহৰ ভিতৰত কোনটো যোব সঠিকভাৱে মিল খোৱা নাই?

*(i)* Cartesian Meditations : Husserl

Cartesian Meditations : হুছাৰ্ল

*(ii)* Man is condemned to be free : Sartre

মানুহ স্বাধীন হোৱাৰ বাবে দণ্ডিত : ছাৰ্ত্ৰ

*(iii)* Concluding Unscientific Postscript : Kierkegaard

Concluding Unscientific Postscript : কীৰ্কেগাৰ্ড

*(iv)* Either/Or : Nietzsche

Either/Or : নীৎস্যে

*(f)* In Sartre's philosophy, freedom and responsibility are two mutually exclusive concepts. Is it correct?

ছাৰ্ত্ৰৰ দৰ্শনত স্বাধীনতা আৰু দায়বদ্ধতা পৰস্পৰ বহিৰ্ভূত দুটা ধাৰণা। এইটো শুদ্ধনে?

*(g)* What is the meaning of the word 'nihil'?

'Nihil' শব্দটোৰ অৰ্থ কি?





**2.** Answer the following briefly : 2×4=8

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

*(a)* What is 'transvaluation of values' according to Nietzsche?

নীৎস্যেৰ মতে 'মূল্যৰ মূল্যান্তকৰণ' মানে কি?

*(b)* Why does despair arise in man's life as stated in the aesthetic stage of existence?

অস্তিত্বৰ সৌন্দৰ্যাত্মক স্তৰ অনুসৰি ব্যক্তি মানৱৰ জীৱনত কেনেকৈ হতাশা উদয় হয়?

*(c)* What does Sartre mean by the state of abandonment?

ছাৰ্ত্ৰে পৰিত্যক্ত হোৱা অৱস্থাটোৰ দ্বাৰা কি বুজাইছে?

*(d)* Why can Husserl be called an intuitionist?

হুছাৰ্লক কিয় এগৰাকী স্বজ্ঞাবাদী বুলি ক'ব পাৰি?

**3.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

*(a)* Existentialism as a reaction against German idealism

জাৰ্মান ভাৱবাদৰ এক প্ৰতিক্ৰিয়াৰূপে অস্তিত্ববাদ

*(b)* Ethical stage of human existence in Kierkegaard's philosophy

কীৰ্কেগাৰ্ডৰ দৰ্শনত মানৱ অস্তিত্বৰ নৈতিক স্তৰ

*(c)* Nietzsche's concept of superman

নীৎস্যেৰ অতিমানৱৰ ধাৰণা

*(d)* Primacy of existence over essence in Sartre's philosophy

ছাৰ্ত্ৰৰ দৰ্শনত সাৰসত্তাৰ তুলনাত অস্তিত্বৰ প্ৰাথমিকতা

*(e)* Husserl's concept of the 'intentionality of consciousness'

হুছাৰ্লৰ 'চেতনাৰ বিষয়মুখীনতা'ৰ ধাৰণা

**4.** Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* Discuss briefly any five of the general characteristics of existentialism.

অস্তিত্ববাদৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ যি কোনো পাঁচটাৰ বিষয়ে চমুকৈ আলোচনা কৰা ।

*(b)* "Subjectivity is truth." Explain and examine the statement following Kierkegaard.

"আত্মনিষ্ঠতা বা আত্মিকতাই সত্যতা ।" কীৰ্কেগাৰ্ডৰ এই উক্তিটোৰ বিচাৰাত্মক ব্যাখ্যা আগবঢ়োৱা ।

*(c)* "Man does not discover his values; he creates them." Explain the statement with special reference to Nietzche's nihilism.





"মানুহে তেওঁৰ মূল্যক আৱিষ্কাৰ নকৰে; তেওঁ তাক সৃষ্টি কৰে ।" নীৎস্যেৰ শূন্যবাদৰ লগত সংগতি ৰাখি উক্তিটো ব্যাখ্যা কৰা ।

*(d)* Give a critical account of Sartre's concept of freedom.

ছাৰ্ত্ৰৰ স্বাধীনতাৰ ধাৰণাটোৰ বিষয়ে এক বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা ।

*(e)* Distinguish between phenomenology and phenomenalism.

প্ৰতীতিবাদ বা প্ৰতিভাস-বিজ্ঞান (phenomenology) আৰু প্ৰতিভাসবাদ (phenomenalism)ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা ।

*(f)* Write a note on descriptive phenomenology.

বৰ্ণনামূলক প্ৰতীতিবাদ বা বৰ্ণনামূলক প্ৰতিভাস-বিজ্ঞানৰ বিষয়ে এটি টোকা লিখা ।

★★★